## ৯.৩.১ চুটিগল্পৰ সংজ্ঞা

চুটিগল্প সম্পৰ্কে এটা বিশেষ সংজ্ঞা পাবলৈ নাই। বিভিন্নজনে এইবিধ কলাৰ বৈশিষ্ট্যৰ কথা কওঁতে গল্পৰ সংজ্ঞা সম্পৰ্কে এটা ধাৰণা ওলাই পৰে। *চেম্বাৰচ এনচাইক্লপেডিয়া*-ই চুটিগল্পৰ প্ৰসঙ্গত কৈছে যে,— ই হ'ল সজ্ঞানে সাজি উলিওৱা এবিধ ৰচনা। অৰ্থাৎ — লিখকে নিজে বিভিন্ন কৌশল প্ৰয়োগ কৰি বৰ্ণনীয় বিষয়ক উপভোগ্য কৰি তোলে। প্ৰখ্যাত চুটিগল্পকাৰ আৰু গল্প সমালোচক ফ্ৰাঙ্ক ও কনাৰে তেওঁৰ *লোনলি ভয়চ* গ্ৰন্থত চুটিগল্পক একেবাৰে সাম্প্ৰতিক কালৰ ৰচনা বুলি অভিহিত কৰি নাটক আৰু কাব্যতকৈ ই জীৱন সম্পৰ্কে থকা দৃষ্টিভঙ্গীক বেছি প্ৰকট কৰি তোলে বুলি উল্লেখ কৰিছে। লিখকৰ উদ্দেশ্য আৰু লক্ষ্যই এটা ঘটনাৰ বৰ্ণনা, চৰিত্ৰ সৃষ্টিক চুটিগল্পলৈ ৰূপান্তৰিত কৰিব পাৰে বুলি বিচাৰ্দ চামাৰচে উল্লেখ কৰিছে।

চমাৰচেট মমৰ মতে পাৰ্থিৱ বা অপাৰ্থিৱ ঘটনাক অপ্ৰয়োজনীয়ভাৱে বহল নকৰাকৈ নাটকীয় সংহতিৰে প্ৰকাশ কৰা আখ্যানেই চুটি গল্প। এইখিনিতে ব্ৰাণ্ডাৰ মাথুজে চুটিগল্পক নাটকৰ লগত ৰিজাই তাৰ স্বৰূপ ব্যাখ্যা কৰি কৈছে — চুটিগল্পই ফৰাচী ধ্ৰুপদী নাটকৰ তিনি ঐক্যৰ চৰ্ত পূৰণ কৰে। এটা কাৰ্যক, এঠাইত আৰু এদিনত প্ৰকাশ কৰি এই ঐক্যৰ প্ৰতি ই আনুগত্য দেখুৱায়। এটা একক চৰিত্ৰ, একক ঘটনা, একক ভাব আৰু একক পৰিস্থিতিৰ ওপৰতহে ই ৰচিত হয়।

মিচ এলিজাবেথে ব্ৰাউনে ইয়াক লিখকৰ এক প্ৰতীতিজাত ৰচনা বুলি অভিহিত কৰি কৈছে যে, লিখকৰ ধাৰণাইহে এইবিধ ৰচনা ৰচিবলৈ বাধ্য কৰায়। এডগাৰ এলান পোৰ মতে চুটিগল্প হ'ল এটা বৈঠকতে পঢ়ি শেষ কৰিব পৰা ৰচনা, ইয়াৰ উদ্দেশ্য হ'ব লাগিব একমুখী। এই একমুখিতাক নষ্ট কৰিব পৰা কোনো কথা বা শব্দ ইয়াত থাকিব নোৱাৰিব।

এই সকলোবোৰ সংজ্ঞাৰ পৰা এটা কথাই প্ৰতীয়মান হয় যে এটা নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি কলাত্মকভাৱে সজাই পৰাই তুলিব পৰা কাহিনী বা পৰিস্থিতিৰ বৰ্ণনাই হ'ল চুটিগল্প। উপন্যাসৰ বিস্তৃতিৰ পৰিৱৰ্তে ইয়াত থাকিব লাগিব সংহতি।

## ৯.৩.২ চুটিগল্পৰ বিভিন্ন উপাদান

চুটিগল্পৰ উপাদান বুলি ক'লে ইয়াৰ কাহিনী, চৰিত্ৰ, পৰিৱেশ, জীৱন দৃষ্টি, বিষয়, প্ৰতীক, ৰূপক, ষ্টাইল আৰু তাৰ অন্তৰ্নিহিত সুৰ (Tone) আদিৰ বিষয়ে আলোচনা কৰিব লাগিব। এইবোৰৰ বিষয়ে তলত বহলাই আলোচনা দাঙি ধৰা হ'ল।

- *কাহিনী ঃ* চুটিগল্পৰ কাহিনী প্ৰতীতিজাত। চুটিগল্পত স্ৰষ্টাৰ বিশেষ ব্যক্তিত্ব অনুযায়ী প্ৰতীতি গৃহীত হয়। এই প্ৰতীতিটোৱে স্থান, কাল, পৰিৱেশৰ সংকীৰ্ণ সীমা পাৰ হৈ লেখকৰ জীৱন দৰ্শন অনুযায়ী বৃহত্তৰ সাৰ্থকতাৰ মাজেৰে প্ৰকাশিত হয়।



Scanned with CamScanner

প্ৰতীতিৰ খণ্ড টুকুৰাৰ মাজত সুবিশাল সত্য উদ্ভাসিত হৈ উঠে। নাৰায়ণ গঙ্গোপাধ্যায়ৰ ভাষাৰে— একমুঠি বালিয়ে যেনেকৈ চাহাৰাৰ বাৰ্তা বহন কৰে তেনেকৈ নব তাৎপৰ্যমণ্ডিত সাধাৰণ প্ৰতীতিয়ে গল্পকাৰৰ কলমৰ মাজেদি কোনো সমাজ, জাতি বা কোনো দেশৰ বিপুল সত্যক ব্যক্ত কৰে।

প্ৰতীতিজাত কাহিনীয়ে ঐক্য লাভ কৰিবলৈ হ'লে গল্পকাৰে গল্পত ঘটনাগত, মনস্তত্ত্বগত আৰু চৰিত্ৰগত যিকোনো এটা সমস্যা তেওঁ মূৰ্ত কৰি তুলিব লাগিব। গল্পকাৰে মাত্ৰ এটা প্ৰতীতিয়ে আহৰণ কৰে। সি তেওঁৰ নিজৰ আদৰ্শৰ অনুকূল বা প্ৰতিকূলো হ'ব পাৰে; কিন্তু তাৰ মাজেৰে তেওঁ আকাঙ্ক্ষিত সত্যক প্ৰকাশ কৰি অন্তৰ্নিহিত অসত্যক ব্যক্ত কৰে। প্ৰতীতিক কেন্দ্ৰ কৰিয়ে কাহিনীৰ গঠন, ৰচনাশৈলী আদি গঢ় লৈ উঠে।

চুটিগল্পত সাধাৰণতে এটা কাহিনী থাকে। অৱশ্যে ই নিতান্ত বৃত্তান্তধৰ্মী হ'ব নালাগে। ঘটনা পৰিহাৰ কৰিও এটা বিশেষ ভাবৰ মাজত এটা মুহূৰ্ত উজ্জ্বল কৰি তুলি তাৰ যোগেদি মানৱ চৰিত্ৰ বা জীৱন ৰহস্যৰ সন্ধান কৰিব পাৰিলেও তাৰ মাজত সাৰ্থক গল্পৰ পৰিচয় প্ৰকাশি উঠে।

গল্প যিহেতু জীৱনৰ প্ৰতিচ্ছবি, জীৱনৰ যি কোনো মুহূৰ্ত— সি সৰু হ'লেও তাত এটা ঘটনাৰ প্ৰতিবিম্ব থাকিব লাগিব। এই ঘটনা বা কাহিনীৰ মূল বিন্দু হ'ল সংঘাত। এই সংঘাতেই কাহিনীৰ দিশ নিৰ্ণয় কৰে। সেয়ে সংঘাত হ'ব লাগে গুৰুত্বপূৰ্ণ। ঘটনাৰ চৰিত্ৰৰ ক্ষেত্ৰত ই প্ৰত্যক্ষ হ'ব লাগে। এই সংঘাতক ফুটাই তোলোতে লিখক সচেতন হ'ব লাগে যাতে তেওঁ কৌতূহল ৰক্ষা কৰি তাক স্পষ্ট কৰি তুলিব পাৰে। ইয়াৰ বাবে তেওঁ বিৰুদ্ধ শক্তিবোৰক হিচাপ কৰি আগবঢ়াই নিব লাগে।

চুটিগল্পৰ কাহিনীৰ এটা বিশেষ চৰ্ত হ'ল ইয়াৰ বিশ্বাসযোগ্যতা। ঐক্যৰ দৰে বিশ্বাসযোগ্যতাও গল্পৰ প্ৰতিটো উপাদানৰ লগত জড়িত। সাধাৰণতে যি চুটিগল্পই জীৱন চিত্ৰ যিমান স্বাভাৱিকভাৱে প্ৰতিফলিত কৰি দেখুৱাব পাৰে তেওঁৰ গল্প সিমানেই হয় বিশ্বাসযোগ্য। গল্পকাৰে সদায় যে চিনাকী জগতখনৰে ছবি আঁকে এনে নহয়, উদ্ভট গল্পৰ লেখকসকলে তেওঁলোকৰ গল্পত এক কাল্পনিক জগতৰ চিত্ৰ সমুজ্বল কৰি তোলে। ইয়াৰ লগত পৰোক্ষভাৱে হ'লেও বাস্তৱ জগতৰ কিবা সংস্পৰ্শ থাকে নাইবা বাস্তৱ জীৱনৰ কিবা দ্যোতনা তাত নিহিত হৈ থাকে। বিভিন্ন বিষয়বস্তুৰে গল্পকাৰে গল্পৰ কাহিনী সজাই তোলে যদিও তেওঁ সদায় সাৰ্বজনীন আবেদন পূৰ্ণ বিষয়ৰ প্ৰতিহে চকু ৰাখিব লাগে। স্থানীয় আবেদন থকা বিষয়বস্তুৰে সাৰ্বজনীনতা লাভ কৰিব নোৱাৰে।

➤ *চৰিত্ৰ :* গল্পৰ চৰিত্ৰাংকনো এক আৱশ্যকীয় উপাদান। চৰিত্ৰবোৰক পাঠকৰ হৃদয়গ্ৰাহী কৰি তুলিবলৈ গল্পকাৰে সৰস বৰ্ণনাভঙ্গীৰে সেইবোৰৰ বিষয়ে কৈ যায়। নাইবা চৰিত্ৰবোৰক নিজে নিজে প্ৰস্ফুটিত হ'বলৈ এৰি দি তেৰেঁই দ্ৰষ্টা হৈ



Scanned with CamScanner

থাকে। সাধাৰণতে গল্পকাৰে চৰিত্ৰবোৰৰ বিষয়ে নিজে বৰ্ণনা কৰাতকৈ চৰিত্ৰবোৰে কাৰ্যৰ দ্বাৰা নিজ বৈশিষ্ট্যবোৰ প্ৰস্ফুটিত কৰি তুলিলে সেইবোৰ বেছি হৃদয়গ্ৰাহী হয়। ইঙ্গিতৰ যোগেদিও গল্পকাৰে চৰিত্ৰবোৰক মূৰ্ত কৰি তুলিব পাৰে।

চৰিত্ৰবোৰে গল্পত অৰ্জন কৰিবলগীয়া বিশেষ যোগ্যতা হ'ল সেইবোৰৰ বিশ্বাসযোগ্যতা (Plausibility)। সম্ভৱপৰ কাৰ্য, ভাব, বক্তব্য আদিৰ দ্বাৰা চৰিত্ৰই এই বিশ্বাসযোগ্যতা অৰ্জন কৰে।

চৰিত্ৰবোৰে তাৰ কাৰ্যৰ সঙ্গতি সদায় ৰক্ষা কৰা উচিত। যদি এটা গল্পত চৰিত্ৰক স্বাৰ্থপৰ ৰূপে দেখুওৱা হৈছে তেনেহ'লে সি গোটেই গল্পটোতে সেই চৰিত্ৰটো অক্ষুণ্ণ ৰাখিব লাগিব। ইয়াৰ উপৰি যি মানুহে যি চাৰিত্ৰিক বৈশিষ্ট্যৰে বাস্তৱত পৰিচিত হয় তেনে আচৰণ বিধিয়ে গল্পৰ চৰিত্ৰটোত স্পষ্ট কৰি তুলিব লাগে। মানুহে সময়ে সময়ে অন্য ধৰণৰ আচৰণ কৰে যদিও যি মানুহৰ যি স্বাভাৱিক আচৰণ তাকেই গল্পকাৰে গল্পৰ চৰিত্ৰত মূৰ্ত কৰি তুলিব লাগে।

চৰিত্ৰবোৰ গ্ৰহণযোগ্য হ'বলৈ সেইবোৰ স্পষ্ট ৰূপে অংকিত হ'ব লাগিব। অন্য লিখকৰ পৰা ধাৰ কৰা চৰিত্ৰও আন এজন গল্পকাৰৰ গল্পত নিষ্প্ৰাণ, কৃত্ৰিম বা অস্বাভাৱিক হৈ পৰিব পাৰে। সেয়ে গল্পকাৰে নিজ পৰ্যবেক্ষণৰ দ্বাৰা চৰিত্ৰবোৰক অংকিত কৰিব লাগে। তেনে চৰিত্ৰবোৰেহে পাঠকক আমোদ দিব পাৰে।

ইয়াৰ উপৰি চৰিত্ৰবোৰ একেবাৰে ভাল বা একেবাৰে বেয়া ধৰণৰ কৰি চিত্ৰিত কৰিব নালাগে। বাস্তৱ জীৱনত মানুহ যেনেকৈ ভাল বেয়াৰ সমষ্টি তেনেকৈ এই দ্বৈত গুণৰ সমাহাৰেৰে গল্পৰ চৰিত্ৰবোৰক বাস্তৱ সম্মত কৰি তুলিব লাগে।

চৰিত্ৰক আধুনিক গল্পকাৰে কেনেদৰে ফুটাই তোলে তাৰ ধাৰণা দি বিচাৰ্দ চামাৰচে কৈছে —

- চৰিত্ৰৰ দৈহিক বৰ্ণনাৰে
- চৰিত্ৰৰ চিন্তাস্ৰোত বা সজ্ঞান চিন্তাৰ আভাস দি
- ঘটনাৰ প্ৰতি চৰিত্ৰৰ প্ৰতিক্ৰিয়াৰ যোগেদি
- পৰিবেশৰ মাজত চৰিত্ৰক উপস্থাপন কৰি
- গল্পকাৰে প্ৰত্যক্ষ বিশ্লেষণৰ যোগেদি
- চৰিত্ৰবোৰে কথা-বতৰা কোৱা ভঙ্গীৰে
- চৰিত্ৰৰ প্ৰতি আনৰ প্ৰতিক্ৰিয়াৰ যোগেদি
- চৰিত্ৰৰ বিষয়ে অন্যই কৰা মন্তব্যৰ যোগেদি

অংকিত হ'ব লাগে। এনেদৰে চৰিত্ৰবোৰক জীৱন্ত কৰি তুলি গল্পকাৰে গল্পক আবেদনপূৰ্ণ কৰি তোলে।

➤ *পৰিবেশ :* পৰিবেশৰ সুন্দৰ বৰ্ণনা নোহোৱাকৈও চুটিগল্প ৰচিত হ'ব পাৰে। বহুতো উৎকৃষ্ট গল্প পৰিবেশৰ ওপৰত গুৰুত্ব নিদিয়াকৈ ৰচিত হৈছে; কিন্তু সেয়া ব্যতিক্ৰমহে। সাধাৰণতে গল্পকাৰে চিনাকী পৰিবেশত গল্প উপস্থাপন কৰিব লাগে।



Scanned with CamScanner

বিচার্দ চামাবচে এই দিশটোৰ ওপৰত গুৰুত্ব দি কৈছে — "এখন পৰিচিত ঠাই নগৰ বা গাঁও বা ঘৰ তাৰ প্ৰতিটো কোঠাৰ স'তে পৰিচিত হোৱা নগৰৰ ৰাস্তাবোৰৰ স'তে তেওঁৰ (গল্পকাৰৰ) পৰিচয় থকা দৰকাৰ।"

কম পৰিসৰৰ ভিতৰত গল্পকাৰে পৰিবেশ ৰচনা কৰা দেখা যায়। অৱশ্যে পৰিবেশনিৰ্ভৰ গল্প হ'লে পৰিবেশৰ ওপৰত গল্পকাৰে অধিক গুৰুত্ব দিয়ে। এই ধৰণৰ গল্পত পৰিবেশৰ জৰিয়তে গল্পৰ তত্ত্ব প্ৰকাশ কৰা হয়। বহু সময়ত গল্পকাৰে ইঙ্গিতময়তাৰেও পৰিবেশৰ বৰ্ণনা গল্পত উপস্থাপন কৰে।

> *জীৱন সম্পৰ্কে দৃষ্টি :* গল্পত গল্পকাৰে কেইবা ধৰণেও তেওঁ জীৱন দৃষ্টি প্ৰকাশ কৰে। গল্পকাৰে গল্পৰ এটা অংশ এটা চৰিত্ৰৰ যোগেদি আৰু আন এটি অংশ এটা চৰিত্ৰ আৰু মনসৰ যোগেদি দৃষ্টিভঙ্গী প্ৰকাশ কৰিব পাৰে। কাহিনীৰ বৰ্ণনাৰ মাজতো লেখক সোমাই পৰিব পাৰে। তেওঁ কাহিনীৰ কিছু অংশ নিজাববীয়াকৈও বৰ্ণনা কৰিব পাৰে। এনে কৰোঁতে প্ৰতিভাশালী গল্পকাৰে নিজ দক্ষতাৰ বলেৰে সুন্দৰভাৱে জীৱন দৃষ্টি ব্যাখ্যা কৰি দেখুৱাব পাৰে। কিন্তু প্ৰতিভাহীন গল্পকাৰে দৃষ্টিভঙ্গী প্ৰকাশ কৰিবলৈ গৈ কাহিনীত বিশৃঙ্খলাৰ সৃষ্টি কৰে। ইয়াৰ দ্বাৰা গল্পৰ গঠন আৰু কলাশৈলী উভয়ে বিনষ্ট হোৱাৰ সম্ভাৱনা বেছি।

কেতিয়াবা গল্পকাৰে মূল চৰিত্ৰটোৰ দৃষ্টিভঙ্গীৰ যোগেদি গল্পৰ কাহিনীটো দাঙি ধৰে। গল্পকাৰে মূল চৰিত্ৰৰ মানস জগতত সোমাই পৰি সেই চৰিত্ৰই অনুভৱ কৰা অভিজ্ঞতা তাৰ অনুভূতি আদিৰ আভাস পাঠকক দি তাৰ মাজেদি নিজৰ দৃষ্টিভঙ্গী প্ৰকাশ কৰে।

কেতিয়াবা গল্পকাৰে কাহিনীটো সৰু চৰিত্ৰ এটাৰ যোগেদি প্ৰকাশ কৰি নিজস্ব দৃষ্টিভঙ্গী ফুটাই তোলে। মূল চৰিত্ৰৰ যোগেদি ব্যাখ্যা বা দৃষ্টিভঙ্গী প্ৰকাশ কৰিলে সি বহু সময়ত বিশ্বাসযোগ্যতা হেৰুৱায়। আনহাতে গল্পকাৰে যদি এটা গৌণ চৰিত্ৰৰ যোগেদি কাহিনীত সোমাই পৰে আৰু তেওঁৰ মন্তব্য বা দৃষ্টিভঙ্গী তাৰ মাজেদি প্ৰকাশ কৰে তেতিয়াহ'লে তাৰ আবেগিক ঐক্য বিনষ্ট নহয়।

আন এক পদ্ধতিত গল্পকাৰে পৰোক্ষভাৱে এই দৃষ্টিভঙ্গী প্ৰকাশ কৰে। এই ধৰণৰ গল্পত নাটকত কৰাৰ দৰে চৰিত্ৰবোৰৰ মন বা অন্তৰৰ অনুভূতি সকলোবোৰ বাহিৰৰ পৰাই নিৰীক্ষণ কৰা হয়। কাহিনী গ্ৰহণ কৰা হয় কেৱল বাহ্যিক ঘটনা সংলাপ আৰু চৰিত্ৰৰ যোগেদি। গল্পকাৰে সৰ্বজ্ঞ হৈ জীৱন দৃষ্টি প্ৰকাশ কৰাৰ যি পদ্ধতিৰ কথা কোৱা হৈছে সেই পদ্ধতিতকৈ ই যথেষ্ট জটিল।

চুটিগল্প গল্পকাৰৰ ব্যক্তিত্বৰ প্ৰকাশ। আচলতে গল্পৰ নায়ক-নায়িকা বা পাৰ্শ্ব চৰিত্ৰই প্ৰত্যেকেই লিখকৰ ব্যক্তিত্বৰ অনন্য অভিব্যক্তি বুলি ক'ব পাৰি। প্ৰত্যেক লেখকেই নিজৰ মাজত আপেক্ষিকভাৱে অগণন ব্যক্তিত্ব বহন কৰে বাবেই তেওঁ যিকোনো ধৰণৰ গল্প লেখিব পাৰে। গল্পকাৰৰ মূল বক্তব্যই ব্যক্তিত্বৰ বহুমুখীৰূপক



Scanned with CamScanner

নিয়ন্ত্রণ কৰে। এজন অভিনেতাই বিভিন্ন ব্যক্তিৰ অভিনয় কৰিব পাৰে; কিন্তু তেওঁৰ মূল ব্যক্তিত্বটো অব্যাহত থাকি যায়। কিন্তু সেয়া ধৰা পৰে তেওঁৰ চৰিত্ৰৰ অৰ্থ নিৰূপণত, বচনভঙ্গী আৰু নিজৰ শিল্প কৌশলত। শিল্পী সাহিত্যিকৰ ক্ষেত্ৰতো অনুৰূপ কথাই ঘটে। লেখকৰ ভিন্নমুখী চৰিত্ৰৰ চিত্ৰণৰ মাজত বস্তু নিৰ্বাচন, পৰিৱেশ নিৰ্মাণ আৰু ৰচনাশৈলীত তেওঁৰ মূল ব্যক্তিত্বই নিয়ন্ত্ৰা শক্তিৰূপে কাম কৰে। তেওঁৰ দৃষ্টিভঙ্গীয়ে কাহিনী, চৰিত্ৰ, চৰিত্ৰৰ পৰিক্ৰমাৰ ক্ষেত্ৰ আদি সকলোকে নিয়ন্ত্ৰণ কৰি অৱশেষত সেই নিৰূপিত সত্যক প্ৰতিভাত কৰি তোলে।

➤ *বিষয়* : গল্পত বিষয়বস্তুৱে কাহিনীৰ সাৰমৰ্মকেই প্ৰকাশ কৰে। সেয়ে ৰিচাৰ্ড চামাৰচে কৈছে — "Theme is nothing more than the total meaning of the story."তেওঁ কিছুমান গুৰুত্বপূৰ্ণ বিষয়ৰ উল্লেখ কৰিছে। সেইবোৰ এনে ধৰণৰ—

- যৌৱনৰ প্ৰেমে সকলো বাধাক নিৰ্মূল কৰি অগ্ৰসৰ হ'ব পাৰে
- মাতৃস্নেহ সকলো ধৰণৰ প্ৰেমতকৈ শ্ৰেষ্ঠ আৰু পবিত্ৰ
- সাহসিকতাপূৰ্ণ দেশপ্ৰেম জীৱনতকৈ বেছি মূল্যবান
- ঘৰুৱা পবিত্ৰতা ৰক্ষাৰ কাৰণে সকলো উছৰ্গা কৰাৰ দৰে পবিত্ৰ কাম নাই
- যৌৱনৰ প্ৰেমৰ কৃতকাৰ্যতা অথবা পৰিসমাপ্তি সকলোতকৈ মূল্যবান
- আত্মসংযম আৰু কৌশলেৰে দাৰিদ্ৰ্যক সহনীয় কৰি তুলিব পাৰি
- এক আদৰ্শৰ কাৰণে প্ৰেম বন্ধুত্বক অস্বীকাৰ কৰিব পৰাটো সকলো কামতকৈ উৎকৰ্ষপূৰ্ণ
- যেতিয়া সকলো হেৰাই যায় ধৰ্মই হয় জীৱনৰ কৰুণতাৰ উত্তৰ
- সাহসিকতা পূৰ্ণ আত্মোৎসৰ্গৰ দৰে আন একো নাই আৰু শেষত ই পুৰস্কৃত হয়
- যাৰ অধ্যৱসায়, সাহস আৰু উদ্ভাৱনী ক্ষমতা থাকে অৱশ্যম্ভাৱীভাৱে তেওঁলোকৰ জীৱনলৈ সাফল্য আৰু সৌভাগ্য আহে। সততাৰে জীৱন নিৰ্বাহ কৰাটোও এক অন্যতম পালনীয় চৰ্ত
- বৃদ্ধকাল জ্ঞানৰ কাৰণেই অতিশয় মূল্যবান

এই ধৰণৰ বিষয়বস্তু বা বক্তব্যক কাহিনীকাৰে তেওঁৰ গল্পত ফুটাই তোলে যদিও উপদেশ বা নীতিবচন ৰূপে গল্পত প্ৰকাশ পালে সি কেতিয়াও ভাল গল্প হ'ব নোৱাৰে। গল্পকাৰে জীৱনৰ এটা সমস্যা বা ৰূপটো দাঙি ধৰে। উপদেশেৰে তেওঁ গল্পক ভাৰাক্ৰান্ত নকৰে। কাহিনী চৰিত্ৰৰ যোগেদি তেওঁ ইঙ্গিতেৰে তাক প্ৰকাশ কৰে।

লিখকসকলে সাহিত্যত জীৱনৰ অভিজ্ঞতাকেই প্ৰকাশ কৰে। তেওঁ লিখনীত ইয়াক দুই ধৰণে প্ৰকাশ কৰে— এক ধৰণেৰে তেওঁ বুদ্ধি আৰু যুক্তিৰে পাঠকক তেওঁৰ অভিজ্ঞতা বা সৃষ্ট সমস্যাৰ আভাস দিব পাৰে। ইয়াৰ যোগেদি তেওঁ এটা প্ৰবন্ধ বা আলোচনা ৰচনা কৰিব পাৰে। আনটো ধৰণেৰে তেওঁ আবেগিক

পৰিমণ্ডলত তেওঁৰ অভিজ্ঞতাক তুলি ধৰি পাঠকক নিজে নিজেই তাক উপলব্ধি কৰিবলৈ এৰি দিব পাৰে আৰু এই পদ্ধতিটোৱে হ'ল গল্পকাৰৰ পদ্ধতি। সততা, বুদ্ধিদীপ্ততাৰে আবেগ-অনুভূতিৰ সংযোগত গল্পকাৰে মানবীয় সমস্যাক এনেদৰে তুলি ধৰি উৎকৃষ্ট গল্পৰ সৃষ্টি কৰে।

- *ষ্টাইল :* মানুহৰ শাৰীৰিক লাৱণ্য শৰীৰৰ সকলো অঙ্গৰ সুষম সমন্বয়ত প্ৰকাশিত হৈ উঠাৰ দৰে ভাষা, বৰ্ণনা বৈচিত্ৰ্য, শব্দৰ অভিনৱত্ব, প্লটৰ চাতুৰ্য আদি বিভিন্ন উপাদান মিলাইহে গল্প নিৰ্মাণ কৰা হয়। এই সকলোবোৰৰ অন্তৰালত যিটো শক্তিয়ে বিশেষভাৱে ক্ৰিয়া কৰে সেয়া হ'ল লেখকৰ ব্যক্তিত্ব। সেয়ে ব্যক্তিভেদে ষ্টাইল ভিন্ন ভিন্ন। লেখকৰ জীৱন সম্পৰ্কে ধাৰণা, তেওঁৰ প্ৰতীতি আহৰণ, প্ৰকাশভংগী, তেওঁৰ দৃষ্টিভংগী বা সিদ্ধান্ত এই সকলোবোৰ মিলি ষ্টাইল নিৰ্মিত হয়। এইবোৰৰ সামগ্ৰিক ঐক্যও প্ৰতীতিৰ সংহতিৰ দৰে গল্পৰ বাবে একান্ত আৱশ্যক।
- *প্ৰতীক আৰু ৰূপক :* গল্পক ব্যঞ্জনা সমৃদ্ধ কৰাৰ বাবে প্ৰতীক আৰু ৰূপকৰ ব্যৱহাৰ কৰা হয়। গল্পৰ পৰিবেশ বৰ্ণনা, প্লট, চৰিত্ৰ সৃষ্টিত প্ৰতীক আৰু ৰূপকৰ ব্যৱহাৰে ইয়াক ব্যঞ্জনাসমৃদ্ধ কৰি তোলে। একেবাৰে সাধাৰণ বৰ্ণনাৰ যোগেদি এইবোৰৰ প্ৰতীকাত্মক ৰূপ দাঙি ধৰি গল্পকাৰে তেওঁ প্ৰতিভাৰ পৰিচয় দাঙি ধৰে। প্ৰতীক, ৰূপকৰ যোগেদি গল্পক কেনেকৈ ব্যঞ্জনাসমৃদ্ধ কৰি তুলিব পাৰি তাৰ বিষয়ে চেকভে জোনাকৰ এটা বৰ্ণনা প্ৰসঙ্গত কৈছে — যদি তুমি জোনাকৰ বৰ্ণনা কৰিবলৈ যোৰা তেনেহ'লে তুমি কেৱল দেখুৱাই দিয়া কাৰখানা এটাৰ ওচৰত নৰ্দমা এটাত পুৰণি ভঙা বটল এটা পৰি থকাত জোনাকে কেনেকৈ তাত তিৰবিৰাইছে। এই ছবিখনৰ মাজেৰে চেকভে প্ৰতীকাত্মকভাৱে শ্ৰমিকৰ বিক্ত তিক্ত জীৱনৰ ইঙ্গিত দাঙি ধৰিব বিচাৰিছিল।

  ৰূপকৰ ব্যৱহাৰৰ ক্ষেত্ৰতো দেখা যায় যে গল্পকাৰে সাধাৰণতে নৈতিক, ধৰ্মসম্বন্ধীয় বা ৰাজনৈতিক ধাৰণাক ইয়াৰ মাজেদি প্ৰকাশ কৰে। বিখ্যাত উপন্যাস *পিলগ্ৰিমচ প্ৰগ্ৰেছ্‌ত* খ্ৰীষ্টান ধৰ্মৰ মাজেদি মানুহৰ আত্মাৰ মুক্তিৰ অন্বেষণ ৰূপকাত্মকভাৱে দাঙি ধৰা হৈছে। মুক্তিৰ বাটত লগ পোৱা বিভিন্ন বাধাবোৰক বিভিন্ন নামকৰণৰ যোগেদি তাত প্ৰকাশ কৰিছে। চুটিগল্পৰ ক্ষেত্ৰতো হৰ্থৰ্ণৰ 'মাই কিনচমেন মেজৰ মলিনেক্স' গল্পত আমেৰিকাৰ অনাগত দিনৰ এক ৰূপকাত্মক ছবি দাঙি ধৰিছে।
- *সুৰ :* মানুহৰ মাত-কথাৰ সুৰৰ পৰাই যেনেকৈ তেওঁৰ মনৰ ভাৱৰ উমান পোৱা যায় তেনেকৈ গল্পকাৰৰ যিটো ভংগীয়ে কোনো বিষয়ৰ প্ৰতি তেওঁৰ মনোভংগী প্ৰকাশ কৰে তাকেই গল্পৰ সুৰ বুলি ক'ব পাৰি। প্লট, চৰিত্ৰ, পৰিবেশ দৃষ্টিভংগী আদিৰ যোগেদি তেওঁ এই সুৰ প্ৰকাশ কৰে। গল্পকাৰে কোনো এটা বিষয়ক প্ৰাধান্য দি বা প্ৰাধান্য নিদিয়াকৈ বৰ্ণনা কৰা কথাটোৰ মাজেদিয়েই বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰিব পাৰি। কেতিয়াবা তেওঁ গুৰুগম্ভীৰভাৱে আৰু কেতিয়াবা হাস্য-ব্যঙ্গ আৰু



Scanned with CamScanner

### (ক) কাহিনী ঃ

উপন্যাসৰ মূল উপাদান কাহিনী আৰু এই কাহিনীয়ে উপন্যাসৰ প্ৰাণবস্তু। মানুহৰ আচাৰ-ব্যৱহাৰ আৰু বাস্তৱ জীৱনবোধৰ আধাৰত উপন্যাসৰ কাহিনী নিৰ্মিত হয়। অৱশ্যে চুটিগল্পতো মানুহৰ কাহিনী আৰু বাস্তৱতা থাকে যদিও উপন্যাসৰ বহল পৰিসৰে জীৱনৰ সামগ্ৰিকতাৰ গু গুৰুত্ব দিয়ে। আনফালে চুটিগল্পৰ ঠেক পৰিসৰে ব্যক্তিৰ জীৱনৰ কোনো এক মুহূৰ্তৰ ও আলোকপাত কৰে। উপন্যাসৰ কাহিনীৰ দুটা দিশ থাকে, এটা হ'ল কথা বা গল্প আৰু আনটো কা কালানুক্ৰমিকভাৱে সজোৱা ঘটনাৰ বিৱৰণে হ'ল গল্প। ইয়াত কৌতুহল জড়িত হৈ থাকে। এনে কৌতুহলে পাঠকৰ মন অগুৱাই নি তাৰ পাছত কি হ'ল তাক জানিবলৈ উৎকণ্ঠিত কৰে। কাহিনীত পোৱা যায় ঘটনাৱলীৰ কাৰ্য-কাৰণ সম্পৰ্কৰ বৰ্ণনা। কাৰণ অথবা যুক্তিয়ে ঘটনাসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক ৰক্ষা কৰি কাহিনী আকৰ্ষণীয় কৰি তোলাত সহায় কৰে।

গাঁথনিৰ আধাৰত উপন্যাসৰ কাহিনীক দুটা ভাগত বিভক্ত কৰা হৈছে- (১) শিথিল আৰু (২) দৃঢ়সংবদ্ধ। শিথিল কাহিনীত বহু বিচিত্ৰ ঘটনাৱলী এটা কেন্দ্ৰীয় ভাবক লৈ কাহিনীৰ ৰূপত গাঁথি উলিওৱা হয়। আটাইবোৰ ঘটনা কেন্দ্ৰীয় ভাবটোত খাপ খাই নাথাকিলেও ইয়ে কাহিনীত বিচিত্ৰতা প্ৰদান কৰে। দৃঢ়সংবদ্ধ কাহিনীত আটাইবোৰ ঘটনা কেন্দ্ৰীয় ভাবটোৰ সৈতে মিলি থাকে। এনেবোৰ কাহিনীত বাহিৰৰ পৰা জাপি দিয়া অতিৰিক্ত ঘটনা নাথাকে, সকলো ঘটনা কাহিনীৰ পৰাই বিকশিত হয়। দৃঢ়সংবদ্ধ কাহিনীত সন্নিবিষ্ট প্ৰতিটো ঘটনাই মূল ভাবৰ বিকাশ আৰু সমৃদ্ধিত সহায় কৰে। উপন্যাস এখনত কাহিনী এটি দাঙি ধৰিবলৈ লিখিত শব্দ বা ভাষাক মাধ্যম ৰূপে গ্ৰহণ কৰা হয়। ভাষাৰে বৰ্ণাওতে কাহিনীটো সাধুকথা কোৱাৰ ভংগীত নাইবা নাটকীয় ভংগীতো বৰ্ণনা কৰিব পাৰে। কাহিনীৰ এই উপস্থাপন পদ্ধতিৰ কৌশলে উপন্যাসখনৰ প্ৰকৃত তাৎপৰ্য্য নিৰ্ধাৰণ কৰে। উপন্যাসৰ কাহিনী আৰু চৰিত্ৰ উপস্থাপনৰ বাবে ঔপন্যাসিকে দুই ধৰণৰ কৌশল অৱলম্বন কৰে। এটা হ'ল বৰ্ণনামূলক আৰু আনটো আত্মজীৱনীমূলক[৬] বৰ্ণনামূলক পদ্ধতিত ঔপন্যাসিকে সকলো কথা তৃতীয় পুৰুষত বৰ্ণনা কৰি যায়। ইয়াত ঔপন্যাসিকে যেন সৰ্বজ্ঞ ব্যক্তি। তেওঁ বাহিৰৰ পৰা ঘটনা, পৰিস্থিতি, চৰিত্ৰ সম্পৰ্কে যি বুজে বা অনুমান কৰে, তাকে বৰ্ণনা কৰি যায়। আনকি চৰিত্ৰবোৰৰ মনৰ কথা আৰু অন্তৰৰ ভাব-অনুভূতিৰ কথাও নিজৰ জ্ঞানৰ পৰাই বৰ্ণনা দিয়ে। চৰিত্ৰসমূহৰ অৱচেতন মনৰ চিন্তা-ভাৱনাৰ পৰিচয়ো ঔপন্যাসিকে দিব পাৰে, যিহেতু চৰিত্ৰবোৰ তেওঁৰ নিজা সৃষ্টি।

---

৬.মহেন্দ্ৰ বৰা : সাহিত্য উপক্ৰমণিকা, বনলতা, গুৱাহাটী, ২০০২, পৃ· ১২০



Scanned with CamScanner

আত্মজীৱনীমূলক পদ্ধতিত ঔপন্যাসিকে নিজেই যেন উপন্যাসৰ নায়ক অথবা নায়িকা ৰূপে সকলো কথা প্ৰথম পুৰুষত বৰ্ণনা কৰি যায়। এই পদ্ধতিত নায়কে নিজৰ ভাব-চিন্তাবোৰৰ কথা প্ৰত্যয়শীলভাৱে পাঠকক ক'ব পাৰে। বৰ্ণনামূলক আৰু আত্মজীৱনীমূলক দুয়োটা পদ্ধতিতে কাহিনী উপস্থাপনৰ সুবিধা-অসুবিধা দেখা যায়। বৰ্ণনামূলক পদ্ধতিত যিহেতু ঔপন্যাসিক সৰ্বজ্ঞ ব্যক্তি তেওঁ দ্বন্দ্ব-বিৰোধপূৰ্ণ কাহিনীৰ গোপনতম আলোচনা, চৰিত্ৰসমূহৰ গোপন অভিসন্ধিৰ সন্ধেদ দিব পাৰে। এনে পদ্ধতিৰ উপন্যাসত কোনোবা এটা ঘটনা প্ৰবাহ আমনিদায়ক হৈ পৰিলে ঔপন্যাসিকে পট পৰিৱৰ্ত্তন কৰি আন এটা আকৰ্ষণীয় জটিল আৰু বিচিত্ৰ ৰূপৰ বৰ্ণনাৰে পাঠকৰ মনত বিশ্বাসযোগ্য কৰি তোলে। আত্মজীৱনীমূলক পদ্ধতিৰ উপন্যাসৰ কাহিনীত ঔপন্যাসিকে নায়ক বা নায়িকাৰ ভূমিকা গ্ৰহণ কৰি নায়কৰ চকুৰে আনবোৰ চৰিত্ৰ যেনেদৰে ধৰা দিয়ে, বুদ্ধি আৰু কল্পনাৰ সহায়েৰে তাক বৰ্ণনা কৰি যায়। নায়কৰ চৰিত্ৰটি ঔপন্যাসিকে নিজৰ মনৰ মাজত গঢ়ি তুলি বাহিৰ-ভিতৰ সকলোখিনি সম্পূৰ্ণকৈ দেখুৱাব পাৰে।

উপন্যাসত কেতিয়াবা চিঠিপত্ৰ বা ডায়েৰী আদিৰ জৰিয়তে কাহিনী এটি পূৰ্ণাঙ্গ ৰূপত ৰচনা কৰা হয়। এনে পদ্ধতিৰ উপন্যাসক পত্ৰধৰ্মী উপন্যাস বুলি কোৱা হয়। চৰিত্ৰৰ আৱেগ-অনুভূতিবোৰ ইয়াত ভালদৰে প্ৰকাশ পোৱাৰ উপৰিও চিঠি-পত্ৰৰ মাজেদিয়ে চৰিত্ৰৰ অন্তৰ্দ্বন্দ্বৰ কথাও জানিব পাৰি। ফলত এই পদ্ধতিৰ উপন্যাস আৱেগ প্ৰধান হৈ পৰে।

## খ) চৰিত্ৰ ঃ

কাহিনীৰ পাছতে উপন্যাসৰ আন এটি প্ৰয়োজনীয় উপাদান হ'ল চৰিত্ৰ। চৰিত্ৰৰ কাৰ্য্যকলাপ আৰু আচাৰ-ব্যৱহাৰক কেন্দ্ৰ কৰি উপন্যাসৰ কাহিনী গঢ়ি উঠে। গতিকে চৰিত্ৰ কাহিনীৰ এক অপৰিহাৰ্য্য অংগ। মহেন্দ্ৰ বৰাৰ মতে, -

> *উপন্যাসৰ কাহিনী যেনেকৈ মূলত: গল্পৰ গাঁথনি, চৰিত্ৰ তেনেকৈ গল্পৰ আঁঠুসুতা। উঁকা বস্তুৰ দীঘ-বাণি লৈয়ো কাহিনীৰ বস্তুহীন কাপোৰ বৈ উলিয়াবলৈ হ'লে, দীঘ-বাণি গোটেইখিনিতে আঁঠুসূতা লাগে। উপমাৰ ভাষাৰে ইমানখিনিয়ে ক'ব পাৰি।*[৭]

[৭] মহেন্দ্ৰ বৰা : পূৰ্বোক্ত গ্ৰন্থ, পৃ· ১১৫



Scanned with CamScanner

উপন্যাসত সাধাৰণতে দুই ধৰণৰ চৰিত্ৰৰ সমাৱেশ হোৱা দেখা যায়। যেনে-সমতলীয় অধিকাৰী। চেপেটা বস্তুৰ নিচিনা এই চৰিত্ৰবোৰ অনৰ-অচৰ আৰু সেইবাবে সিহঁতক সহজে বুজিব পাৰি। কাহিনীৰ পৰিবৰ্ত্তন হ'লেও সিহঁতৰ চাৰিত্ৰিক দোষ-গুণৰ কোনো পৰিবৰ্ত্তন নহয়।

চক্ৰাকাৰ চৰিত্ৰ গতিশীল আৰু এইবোৰ চৰিত্ৰই পৰিস্থিতিক নিজৰ আয়ত্বলৈ আনি বিকাশ লাভ কৰে। বিভিন্ন পৰিস্থিতিত এই চৰিত্ৰবোৰ পৰিবৰ্ত্তন হয় বাবে পাঠকে ইহঁতৰ বিষয়ে আগতীয়াকৈ কোনো ধাৰণা ল'ব নোৱাৰে। ঘটনা পৰিক্ৰমাই এনে চৰিত্ৰৰ গুণ-গৰিমা সদাই পেলায়। সমতলীয় আৰু চক্ৰাকাৰ – এই দুয়োধৰণৰ চৰিত্ৰই জীৱনৰ দুটা দিশৰ ইংগিত বহন কৰে। সমতলীয় আৰু চক্ৰাকাৰ চৰিত্ৰ নিৰ্ণয় কৰিবলৈ সহজ উপাই এটি দি ই.এম. ফৰ্ষ্টাৰে কৈছে, –

*চক্ৰাকাৰ চৰিত্ৰৰ পৰখ কৰিব পাৰি, ই পতিয়ন যোৱাকৈ চক্ খুৱাব পাৰে নে নোৱাৰে-সেই কথাখাৰ চাই। যদি ই চক্ খুৱাবই নোৱাৰে, তেনেহলে ই সমতলীয় যদি ই পতিয়ন নিয়াব নোৱাৰে, তেনেহলে ই চক্ৰাকাৰ চৰিত্ৰৰ ভাও লোৱা সমতলীয় চৰিত্ৰ।*[৮]

ঔপন্যাসিকে চৰিত্ৰবিলাকৰ সহায়েৰে জীৱনৰ বিচিত্ৰতা আৰু সামগ্ৰিকতাৰ আভাস দিয়ে যদিও তাৰ মাজত একপ্ৰকাৰ সংগতি আৰু শৃংখলা ৰক্ষা কৰিব লাগে। সেইবাবেই উপন্যাসত কলাকৌশলৰ প্ৰয়োজন হয়। সাধাৰণতে উপন্যাসৰ কৌশল উপন্যাসৰ বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰে। হেন্ৰী জেম্ছে বিষয় আৰু কৌশলক বেজি আৰু সূতাৰ সৈতে ৰিজাইছে। দৰ্জীৰ কাৰণে বেজি আৰু সূতা যিদৰে সমানে প্ৰয়োজনীয় সেইদৰে উপন্যাসৰ বিষয় আৰু আংগিকৰ মাজতো এনাব নোৱাৰা সম্পৰ্ক থাকে। গতিকে উপন্যাসৰ কৌশল কেতিয়াও বিষয়বস্তুৰ পৰা বিচ্ছিন্ন হব নোৱাৰে। ই জীৱনৰ উপলব্ধি অথবা জীৱন সম্পৰ্কীয় দৃষ্টিভংগী দাঙি ধৰাৰ উপায় মাথোন। গতিকে জীৱন আৰু জগত সম্পৰ্কীয় দৃষ্টিভংগী অনুসৰি উপন্যাসৰ আংগিকো বেলেগ হয়।

## গ) সংলাপ ঃ

উপন্যাসৰ কাহিনীক অগ্ৰগতি দান কৰাত সংলাপৰ ভূমিকা গুৰুত্বপূৰ্ণ। গতিকে সংলাপ উপন্যাসৰ কলাকৌশল সৃষ্টিৰ আন এটি মাধ্যম হিচাপে উপন্যাসৰ অপৰিহাৰ্য্য উপাদান। সংলাপৰ

---

[৮] The test of a round character is whether it is capable of surprising in a convincing way. If it never surprise, it is flat. If it does not convince, it is a flat pretending to be round – Froster, E.M.: OP. Cit., p.85



Scanned with CamScanner

মাজেৰে চৰিত্ৰৰ মনৰ ভাব, বৈচিত্ৰ্য আৰু লেখকৰ জীৱনাদৰ্শ প্ৰকাশ পায়। কাহিনী, চৰিত্ৰ, পৰিস্থিতি আৰু লেখকৰ জীৱনৰ আদৰ্শ প্ৰকাশৰ বাবে সংলাপ অপৰিহাৰ্য্য। সমালোচকৰ ভাষাত, – "*উপযুক্ত সংলাপে বৰ্ণনাক স্বচ্ছ কৰি তোলে আৰু লেখকৰ শিল্প কৌশলবো প্ৰকাশ ঘটায়।*"[৯] গতিকে উপন্যাস সৃষ্টিত বাস্তৱৰ যি সামগ্ৰী গ্ৰহণ কৰা হয় তাৰ ধাৰণা এটি ঔপন্যাসিকৰ মনত গঢ় লৈ উঠে। অৰ্থাৎ ঔপন্যাসিকে তেওঁৰ শিল্পকৰ্মত নিজৰ ব্যক্তিত্ব আৰোপ কৰি নিজস্ব দৃষ্টিভংগী দাঙি ধৰে আৰু ইয়াৰ ওপৰতে উপন্যাসৰ মহত্ব ফুটি উঠে। সংলাপে উপন্যাসৰ কাহিনী প্ৰকাশ, বিকাশ আৰু বৰ্ণনাৰ সংকোচনকো সহায় কৰে। কাহিনী প্ৰকাশক সংলাপ, চৰিত্ৰৰ মনোজগত প্ৰকাশক সংলাপ, শ্ৰেণী চৰিত্ৰ প্ৰকাশক সংলাপ, লেখকৰ আদৰ্শবাহী সংলাপ, বুদ্ধিদীপ্ত সংলাপ আৰু ত্ৰুটিপূৰ্ণ সংলাপ ইত্যাদি শ্ৰেণীত উপন্যাসৰ সংলাপক ভাগ কৰিব পাৰি। গুণগত বৈশিষ্ট্যৰ ফালৰ পৰা প্ৰথম পাঁচোটা বিভাগেহে প্ৰাধান্য পায়। ত্ৰুটিপূৰ্ণ সংলাপে উপন্যাসত স্বীকৃতি পাব নোৱাৰে যদিও ঔপন্যাসিকৰ সংলাপ সৃষ্টিৰ দক্ষতাৰ অভাৱ হ'লেই সংলাপ ত্ৰুটিপূৰ্ণ হয়। এইদৰে উপন্যাসৰ কাহিনীৰ মাজেদি ঔপন্যাসিকৰ জীৱন দৰ্শন প্ৰতিভাত হয়। কাহিনীৰ মাজেদি কোনটো গ্ৰহণীয় বা বৰ্জনীয় তাক স্পষ্টকৈ কৈ নিদিয়ে যদিও কাহিনীৰ পৰিসমাপ্তিত লেখকৰ বক্তব্য স্পষ্ট হৈ পৰে।

### ঘ) পৰিৱেশ ঃ

অন্যান্য উপাদানৰ লগতে পৰিৱেশ পৰিস্থিতিৰ সৃষ্টিয়ে উপন্যাসক ৰসোত্তীৰ্ণ কলাৰ শাৰীলৈ উন্নীত কৰে। উপন্যাসৰ পৰিৱেশ বৰ্ণনাপ্ৰধান হ'লেও এই বৰ্ণনা সংযত আৰু ভাৱব্যঞ্জক হৈ উঠিলেহে উপন্যাসৰ পৰিৱেশ চিত্ৰধৰ্মী আৰু অৰ্থবহ হৈ পৰে। উপন্যাস যিহেতু বাস্তৱধৰ্মী সাহিত্য, গতিকে বাস্তৱ পৰিৱেশ সৃষ্টিৰ দ্বাৰা ঔপন্যাসিকে কাহিনী আৰু চৰিত্ৰ সম্পৰ্কে পাঠকৰ মনত বাস্তৱবোধ জগাই তুলিব পাৰে। পৰিৱেশে চৰিত্ৰৰ মনোজগত প্ৰকাশ কৰাৰ বাবেও সহায় হয়। একোটা অৰ্থব্যঞ্জক পৰিৱেশত চৰিত্ৰ অৱতীৰ্ণ হোৱাৰ লগে লগে চৰিত্ৰৰ আৱেগ-অনুভূতি উথলি উঠে আৰু তেতিয়া চৰিত্ৰই গতিশীল হ'বলৈ সুবিধা পায়। কিছুমান ঘটনাৰ সু-গঠিত সমষ্টিয়ে যিদৰে কাহিনীৰ সৃষ্টি কৰে, সেইদৰে উপন্যাসৰ প্ৰতিটো ঘটনাই একোটি পৰিস্থিতিৰ সৃষ্টি কৰে। উপন্যাসৰ কাহিনীৰ পূৰ্ণতাৰ বাবে ঔপন্যাসিকে পৰিকল্পিতভাৱে পৰিস্থিতিবোৰ সজাই লয়। কাহিনীৰ আৰম্ভণিতে অনুকূল পৰিস্থিতিৰ সৃষ্টি

---

[৯] Hudson, V. H. : **An Introduction to the study of literature**, George G. Harrap & Co. Ltd., 1965, p. 154



Scanned with CamScanner

কৰি ঔপন্যাসিকে বক্তব্য প্ৰকাশ কৰে আৰু কাহিনী আগবঢ়াৰ লগে লগে এই পৰিস্থিতিয়ে ক্ৰমশঃ প্ৰতিকূল অৱস্থালৈ গতি কৰিবলৈ ধৰে। পৰিস্থিতিয়ে উপন্যাসত কাহিনীৰ বিকাশত সহায় কৰি চৰিত্ৰৰ স্বকীয় বৈশিষ্ট্য প্ৰকাশৰ বাবে সুবিধা গ্ৰহণ কৰে। গতিকে উপন্যাসত পৰিস্থিতি জটিল আৰু গতিশীল হ'লে কাহিনী আৰু চৰিত্ৰই গতিশীলতা লাভ কৰিবলৈ সক্ষম হয়।

## ঙ) লেখকৰ জীৱন দৰ্শন ঃ

একোখন উপন্যাসৰ অন্তৰালত লেখকৰ জীৱন সম্পৰ্কে থকা দৃষ্টিভংগী লুকাই থাকে। যিহেতু কলা লেখকৰ আত্মপ্ৰকাশৰ মাধ্যম সেয়ে কলা হিচাপে উপন্যাসৰ মাজেৰেও ঔপন্যাসিকৰ আত্মপ্ৰকাশ ঘটে। এই আত্মপ্ৰকাশে হ'ল লেখকৰ বক্তব্য বা জীৱন দৰ্শন। উপন্যাসত লেখকে পোনপটীয়াকৈ বক্তব্য প্ৰকাশ নকৰি পৰোক্ষ পদ্ধতিৰে প্ৰকাশ কৰিবলৈ বিশেষকৈ কাহিনী, চৰিত্ৰ আৰু সংলাপৰ সহায় লয়। ঔপন্যাসিকে প্ৰকৃততে কাহিনীৰ জটিলতা আৰু চৰিত্ৰৰ সংঘাতৰ মাজেদিয়ে নিজৰ দৃষ্টিভংগী বা দৰ্শন প্ৰকাশ কৰে। সমাজ আৰু ব্যক্তিজীৱনক অধ্যয়ন কৰি আয়ত্ব কৰা লেখকৰ জীৱন দৰ্শন উপন্যাসত প্ৰকাশ কৰিবৰ বাবে ঔপন্যাসিকে নানা কৌশল অৱলম্বন কৰে। চৰিত্ৰৰ মুখেদি লেখকৰ বক্তব্য প্ৰকাশ কৰাৰ উপৰিও মাজে মাজে একো একোটা বিষয়ত মন্তব্য কৰি জীৱন দৰ্শন ব্যক্ত কৰে। জীৱন দৰ্শন প্ৰকাশত ঔপন্যাসিকে পৰোক্ষ প্ৰকাশভংগী গ্ৰহণ নকৰিলে উপন্যাসৰ ৰস আৰু সৌন্দৰ্যত ব্যাঘাত হোৱাৰ সম্ভৱনা থাকে। সেয়ে উপন্যাসত লেখকৰ জীৱন দৰ্শনে যাতে ৰস আৰু সৌন্দৰ্য্য হ্ৰাস কৰিব নোৱাৰে তাৰ প্ৰতি প্ৰত্যেকজন ঔপন্যাসিক সজাগ থাকে।

এইদৰে কাহিনী বা ঘটনা-বস্তু, চৰিত্ৰ আৰু কলা-কৌশল বা ৰচনা ৰীতিৰ উপৰিও পৰিৱেশ, পৰিস্থিতি, উৎকণ্ঠা, জীৱন দৰ্শন আৰু ভাষা আদিয়ে কাহিনীৰ সংগতি ৰাখি নিজৰ নিজৰ কাৰ্য সম্পাদনা কৰে। লেখকৰ উদ্দেশ্য ঘটনা পৰিৱেশনৰ অন্তৰালত থাকি যায়।

নিৰ্বাচিত ঘটনাৰ জটিলতা বা সৰলতা, চৰিত্ৰৰ মানসিকতা তথা মানদণ্ড, পৰিস্থিতিৰ সংগতি, লেখকৰ দৃষ্টিভংগী তথা কলাত্মক চেতনাবোধ অনুযায়ী উপন্যাসক কেইবাটাও শ্ৰেণীত ভাগ কৰিব পাৰি। যেনে-ঘটনাপ্ৰধান উপন্যাস, চৰিত্ৰ আৰু কাৰ্যপ্ৰধান উপন্যাস, নাটকীয় উপন্যাস, পত্ৰ উপন্যাস ইত্যাদি। বিষয়বস্তু আৰু উপস্থাপন ৰীতি অনুসাৰে উপন্যাসক এনে ভাগত ভগাব পাৰি, সামাজিক উপন্যাস, ঐতিহাসিক উপন্যাস, আঞ্চলিক উপন্যাস, ৰাজনৈতিক উপন্যাস, ধৰ্মীয় উদ্দেশ্য-



Scanned with CamScanner